**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 02-07 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। সংসদৰ দুয়োখন সদনে কালি লোকসভা আৰু ৰাজ্যসভাৰ যৌথ অধিৱেশনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ধন্যবাদসূচক প্ৰস্তাৱৰ বিষয়ে আলোচনাত মিলিত হয়।

২। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি নতুন দিল্লীত অসমৰ কৃষি মন্ত্ৰী অতুল বৰাৰ সৈতে এখন বৈঠকত মিলিত হয়।

৩। কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাক শক্তিশালী কৰি তুলিবলৈ শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ পৰা পৰামৰ্শ তথা সঁহাৰি বিচাৰিছে।

৪। লণ্ডনৰ অল ইংলেণ্ড ক্লাবত কালিৰে পৰা চলিত বৰ্ষৰ উইম্বলডন টেনিছ চেম্পিয়নশ্বিপ আৰম্ভ হৈছে।

**আৰু**

৫। ভাৰতে অহা ৬ৰ পৰা ১৪ জুলাইলৈ জিম্বাবুৱেৰ বিৰুদ্ধে এটা পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাত অংশগ্ৰহণ কৰিব।

ooooo

সংসদৰ দুয়োখন সদনে কালি লোকসভা আৰু ৰাজ্যসভাৰ যৌথ অধিৱেশনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ধন্যবাদসূচক প্ৰস্তাৱৰ বিষয়ে আলোচনাত মিলিত হয়।

এই আলোচনাত বিজেপি সাংসদ অনুৰাগ সিং ঠাকুৰে অংশগ্ৰহণ কৰি বিগত ১০ বছৰত বিজেপি চৰকাৰে জনসাধাৰণৰ কল্যাণ আৰু অৰ্থনীতিৰ ক্ষেত্ৰত ক্ষিপ্ৰতাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰশংসা কৰে। তেওঁ কয় যে দেশৰ ২৫ কোটি জনসাধাৰণক দৰিদ্ৰতাৰ পৰা মুক্ত কৰা হৈছে আৰু চৰকাৰে ৮০ কোটি লোকক প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ অধীনত বিনামূলীয়া খাদ্য শস্যৰ যোগান ধৰা হৈছে। পূৰ্বৰ ইউ পি এ চৰকাৰক সমালোচনা কৰি শ্ৰীঠাকুৰে কয় যে, দেশ এতিয়া বিশ্বৰ পঞ্চম বৃহৎ অৰ্থনীতিলৈ ৰূপান্তৰিত হৈছে আৰু অতি সোনকালে তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হ'ব।

ইয়াৰ পূৰ্বে আলোচনাত অংশগ্ৰহণ কৰি বিৰোধী দলপতি ৰাহুল গান্ধীয়ে NEET পৰীক্ষা, অগ্নিবীৰ আঁচনি, অশান্ত মণিপুৰ, বিমুদ্ৰাকৰণ, মুদ্ৰাস্ফিতীৰ হাৰ বৃদ্ধি, কৃষকৰ সমস্যাকে ধৰি দেশৰ জনসাধাৰণে সন্মুখীন হৈ অহা বিভিন্ন সমস্যা তথা অনিয়মৰ প্ৰসংগও উত্থাপন কৰে। তেওঁ কয় যে, NEET পৰীক্ষা এতিয়া সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ বাবে নহয় বৰঞ্চ অৰ্থনৈতিকভাৱে সবল শ্ৰেণীৰ লোকসকলৰ অনুকূলেহে গঢ়ি তোলা হৈছে। তেওঁ কয় যে, NEET পৰীক্ষাৰ অনিয়মৰ বিষয়টোৰ ওপৰত বিৰোধী পক্ষই সদনত সম্পূৰ্ণ এটা দিন আলোচনা হোৱাতো বিচাৰে। ভাষণৰ সময়ত ৰাহুল গান্ধীয়ে হিন্দু সম্প্ৰদায়ক লৈ কৰা এটা মন্তব্যক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে আপত্তি দৰ্শায়। প্ৰধানমন্ত্ৰীয়ে কয়

যে, সমগ্ৰ হিন্দু সম্প্ৰদায়ক হিংসাত্মক আখ্যা দিয়াটো এটা অতি গুৰুতৰ অভিযোগ। গৃহমন্ত্ৰীগৰাকীয়ে সেই আপত্তিজনক মন্তব্যৰ বাবে ৰাহুল গান্ধীয়ে সদনত ক্ষমা বিচৰাৰ দাবী উত্থাপন কৰে। এই সন্দৰ্ভত অধ্যক্ষ ওম বিৰলাই কয় যে, সদস্যসকলে ভাষণ দিওঁতে সদনৰ পবিত্ৰতা বৰ্তাই ৰখা উচিত। অগ্নিবীৰ আঁচনিৰ সন্দৰ্ভত ভাষণ দি ৰাহুল গান্ধীয়ে কয় যে, অগ্নিবীৰত কৰ্তব্যৰত অৱস্থাত প্ৰাণ হেৰুৱালে শ্বহীদৰ মৰ্যাদা নাপায়। ইয়াৰ বিৰুদ্ধে আপত্তি দৰ্শাই প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে, ৰাহুল গান্ধীয়ে সদনক বিপথে পৰিচালিত কৰিছে। প্ৰতিৰক্ষামন্ত্ৰীগৰাকীয়ে লগতে কয় যে, কৰ্তব্যৰত অৱস্থাত প্ৰাণ আহুতি দিয়া অগ্নিবীৰৰ পৰিয়ালক চৰকাৰে এক কোটি টকাৰ সাহায্য প্ৰদান কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাহুল গান্ধীৰ মন্তব্যৰ আপত্তি দৰ্শাই কয়- সদনৰ সদনত প্ৰামাণিক তথ্যহে উত্থাপন কৰিব লাগে। গৃহমন্ত্ৰীগৰাকীও ৰাহুল গান্ধীক ক্ষমা খুজিবলৈ দাবী জনায়।

কেন্দ্ৰীয় পঞ্চায়তীৰাজ মন্ত্ৰী তথা জে ডি ইউ নেতা ৰাজীৱ ৰঞ্জন সিঙে বিৰোধী দলপতি ৰাহুল গান্ধীক লক্ষ্য কৰি কয় যে, লোকসভাত তেওঁৰ ভাষণ, নিৰ্বাচনী প্ৰচাৰৰ ভাষণৰ সৈতে মিল আছে। কংগ্ৰেছে তেওঁলোকৰ কাৰ্যকালত সংবিধানক ভেঙুচালি কৰা বুলিও সিঙে সমালোচনা কৰে। তেওঁ লগতে কয় যে, জনসাধাৰণে কংগ্ৰেছক প্ৰত্যাখ্যান কৰি নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনৰ ওপৰত বিশ্বাস ৰাখিছে।

ইয়াৰ পূৰ্বে বিজেপি সাংসদ বাঞ্চুৰী স্বৰাজে কয় যে, কৃষকৰ কল্যাণ আৰু মহিলা সৱলীকৰণক চৰকাৰে অগ্ৰাধিকাৰ দিছে। তেওঁ কয় যে, পি এম কিষাণ আঁচনিৰ অধীনত এতিয়ালৈকে কৃষকসকলক ৩ লাখ কোটিৰো অধিক ধন প্ৰদান কৰা হৈছে আৰু খাদ্য শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি কৰি কৃষকসকলক সকাহ দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ পূৰ্বে নীট বিষয়ক লৈ বিৰোধী পক্ষই সদন ত্যাগ কৰে।

ৰাজ্যসভাতো কালি পুৱা সভাপতি জগদীপ ধনখড়ে বিৰোধী সদস্যসকলে উত্থাপন কৰা স্থগিতকৰণৰ জাননীৰ অনুমতি নাকচ কৰে। ইয়াৰ পাছত সংসদে সদনৰ যৌথ অধিবেশনত ৰাষ্ট্ৰপতিৰ ভাষণৰ সন্দৰ্ভত আলোচনা আৰম্ভ কৰে।

০০০০০

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি দেশৰ কৃষি খণ্ডৰ দ্ৰুত বিকাশৰ লক্ষ্যৰে নতুন দিল্লীত অসমৰ কৃষি মন্ত্ৰী অতুল বৰাৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত দুয়োগৰাকী মন্ত্ৰীয়ে মাটিৰ গুণাগুণ, সংৰক্ষণ সামৰ্থৰ বিকাশ, অসমৰ উদ্যান শস্যকে ধৰি কৃষি আৰু কৃষক উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয়ে আলোচনা কৰে। বৈঠকত কেন্দ্ৰীয় কৃষি মন্ত্ৰীগৰাকীয়ে কয় যে, কৃষি আৰু কৃষকৰ কল্যাণ চৰকাৰৰ অন্যতম লক্ষ্য আৰু কেন্দ্ৰীয় চৰকাৰে অসমৰ কৃষকসকলৰ সামৰ্থ বিকাশৰ বাবে বিভিন্ন কৰ্মশালা আৰু প্ৰশিক্ষণৰ বাবে ৰাজ্যখনত সকলো ধৰণে সহায় আগবঢ়াই যাব।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় পৰিক্ষণ সংস্থা- এন টি এক শক্তিশালী কৰি তুলিবলৈ শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ পৰা পৰামৰ্শ তথা সঁহাৰি বিচাৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে কৈছে যে, ড০ কে ৰাধাকৃষ্ণনৰ অধ্যক্ষতাত গঠন কৰি দিয়া এখন উচ্চস্তৰীয় কমিটিয়ে এই সন্দৰ্ভত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ পৰা পৰামৰ্শ আৰু মতামত বিচাৰিছে। মন্ত্ৰালয়ে লগতে কয় যে, শিক্ষাৰ্থী তথা অভিভাৱকসকলে পৰীক্ষাৰ প্ৰক্ৰিয়া সংস্কাৰ, তথ্য সুৰক্ষা নিয়মাৱলীৰ বিকাশ আৰু সংস্থাৰ

গাঁথনি তথা কাৰ্যকলাপ সন্দৰ্ভত নিজা-নিজা মত প্ৰকাশ কৰিব পাৰিব। মন্ত্ৰালয়ে অহা ৭ জুলাই পৰ্যন্ত এই পৰামৰ্শসমূহ গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে।

০০০০০

জম্মুৰ ভাগৱতী নিবাস বেছ কেম্পৰ পৰা কাশ্মীৰৰ অমৰনাথ গুহা দৰ্শন কৰাৰ বাবে ৬ হাজাৰ ৫৩৭ গৰাকী তীৰ্থযাত্ৰীৰ পঞ্চমটো দল আজি পুৱতি নিশা ৰাওনা হৈছে।

আজি যাত্ৰা আৰম্ভ কৰা পঞ্চমটো দলৰ সদস্যসকলৰ ভিতৰত এহেজাৰ ১০২ গৰাকী মহিলা আৰু ১৯ টি শিশু আছে। দলটো ২ হাজাৰ ১০৬ গৰাকী তীৰ্থযাত্ৰী পুৱতি নিশা ৩ বাজি ৫ মিনিটত বাল্টাল অভিমুখে ৰাওনা হোৱাৰ বিপৰীতে ৪ হাজাৰ ৪৩১ গৰাকী তীৰ্থযাত্ৰীয়ে পুৱতি নিশা ৩ বাজি ৫০ মিনিটত পেহেলগাম বেছ কেম্পলৈ বুলি যাত্ৰা আৰম্ভ কৰে। ইপিনে আজি পুৱতি নিশা ২৬১ জনীয়া এটা অশ্বাৰোহী দলেও অমৰনাথ গুহা অভিমুখে যাত্ৰা আৰম্ভ কৰে।

০০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগ- UPSC-এ চলিত বৰ্ষৰ অসামৰিক সেৱা পৰীক্ষাত প্ৰাৰম্ভিক পৰ্যায়ৰ ফলাফল ঘোষণা কৰিছে। যোগ্যতা অৰ্জন কৰা প্ৰাৰ্থীসকলে মূল পৰ্যায়ত বহাৰ পূৰ্বে DAF-1 প্ৰ-পত্ৰ পূৰণ কৰিব লাগিব বুলি আয়োগে প্ৰকাশ কৰিছে। এই প্ৰ-পত্ৰ পূৰণৰ বাবে তাৰিখ আৰু প্ৰয়োজনীয় নিৰ্দেশনা আয়োগৰ ৱেবছাইটত প্ৰকাশ কৰা হ'ব।

০০০০০

মুম্বাইত ভাৰতীয় ৰাষ্ট্ৰীয় চলচ্চিত্ৰ সংগ্ৰহালয়ত কালি ইন্দোনেছিয়া আৰু ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগম- এন এফ ডি চি চলচ্চিত্ৰ মহোৎসৱ আৰম্ভ হয়। এয়া হ'ল মহোৎসৱৰ তৃতীয় সংস্কৰণ। এই ছদিনীয়া সংস্কৰণৰ অহা ৬ জুলাইত সামৰণি পৰিব। চলচ্চিত্ৰৰ মাধ্যমেৰে ভাৰত আৰু ইন্দোনেছিয়াৰ মাজত সাংস্কৃতিক বিনিময় উদযাপন কৰাই এই মহোৎসৱৰ মূল উদ্দেশ্য।

কালি মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত অক্ষত অজয় শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি বন্তি প্ৰজ্বলন কৰাৰ লগতে মহোৎসৱৰ বেনাৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰে। মহোৎসৱৰ প্ৰথম দিনটোত **পাৰ্টিকেলিৰ** শীৰ্ষক ইন্দোনেছিয়াৰ চলচ্চিত্ৰখন প্ৰদৰ্শন কৰা হয়।

০০০০০

লণ্ডনৰ অল ইংলেণ্ড ক্লাবত কালিৰে পৰা চলিত বৰ্ষৰ উইম্বলডন টেনিছ চেম্পিয়নশ্বিপ আৰম্ভ হৈছে। প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ শীৰ্ষ বাছনিপ্ৰাপ্ত খেলুৱৈ ইটালীৰ জেনিক চিনাৰে প্ৰথম ৰাউণ্ডত জাৰ্মানীৰ য়ান্নিক হাফমেনক ৬-৩, ৬-৪, ৩-৬, ৬-৩ ছেটত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। ইয়াৰ পূৰ্বে প্ৰথম ৰাউণ্ডত নৰৱেৰ অষ্টম বাছনিপ্ৰাপ্ত কেচপাৰ ৰুডে অষ্ট্ৰেলিয়াৰ এলেক্স বল্টৰ বিৰুদ্ধে ৭-৬, ৬-৪, ৬-৪ ছেটত বিজয় সাব্যস্ত কৰে। একেদৰে প্ৰথম ৰাউণ্ডত কানাডাৰ ডেনিছ ছাপ'ভালভে চিলিৰ নিক'লাছ জেৰিক ৬-১, ৭-৫, ৬-৪ আৰু বুলগেৰিয়াৰ দশম বাছনিপ্ৰাপ্ত গ্ৰীগৰ ডিমিট্ৰ'ভে ছাৰ্বিয়াৰ দুশান লাজ'ভিকক ৬-৩, ৬-৪, ৭-৫ ছেটত পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। অৱশ্যে যোৱানিশা প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডতে ভাৰতৰ সুমিত নাগল ছাৰ্বিয়াৰ প্ৰতিদ্বন্দ্বী মিঅ'মিৰ কেকমানভিকৰ বিৰুদ্ধে ২-৬, ৬-৩, ৩-৬, ৪-৬ ছেটত পৰাস্ত হয়।

ইপিনে প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বিতীয় বাছনিপ্ৰাপ্ত কক' গফ আৰু গ্ৰীচৰ নৱম বাছনিপ্ৰাপ্ত মাৰিয়া ছাক্কাৰি দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। প্ৰথম ৰাউণ্ডত গফে স্বদেশৰ

কেৰ’লিন ডলেহিডেক ৬-১, ৬-২ আৰু মাৰিয়াই আমেৰিকা যুক্তৰাষ্ট্ৰৰ মেককাৰ্টনি কেচলাৰক ৬-৩, ৬-১ ছেটত পৰাস্ত কৰে।

০০০০০

ভাৰতৰ পুৰুষ ক্ৰিকেট দলটো অহা ৬ৰ পৰা ১৪ জুলাইলৈ জিম্বাবুৱেৰ বিৰুদ্ধে হ’বলগীয়া পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। শৃংখলাৰ আটাইকেইখন খেল হাৰাৰে স্পৰ্টছ ক্লাব খেলপথাৰত অনুষ্ঠিত হ’ব। ঘৰুৱা দলটোৱেও শৃংখলাৰ বাবে ১৭ জনীয়া দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। জ্যেষ্ঠ খেলুৱৈ তথা বেটছমেন ছিকন্দৰ ৰাজাক যুৱ দলটোৰ অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

ভাৰতে ইতিমধ্যে শৃংখলাত অংশগ্ৰহণ কৰিবলগীয়া ১৫ জনীয়া দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। শুভমন গিলে ধ্ৰুৱ জুৰেল, ৰিয়ান পৰাগ, ৱাশ্বিংটন সুন্দৰ, ৰবি বিষ্ণইৰ দৰে খেলুৱৈৰে সমৃদ্ধ ভাৰতীয় দলৰ অধিনায়কৰ দায়িত্ব বহন কৰিব।

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বিচিচিআইৰ সচিব জয় শ্বাহে কালি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি আসন্ন শৃংখলাটোৰ বাবে ভি ভি এছ লক্ষ্মণ ভাৰতীয় দলৰ সৈতে প্ৰশিক্ষক হিচাপে জিম্বাবুৱেত থাকিব যদিও নতুন প্ৰশিক্ষকে শ্ৰীলংকাৰ বিৰুদ্ধে হ’বলগীয়া শৃংখলাৰ পৰাহে ভাৰতীয় দলত যোগ দিব। তেওঁ লগতে কয় যে, অতি সোনকালে ভাৰতীয় দলৰ প্ৰশিক্ষক আৰু নিৰ্বাচকক নিযুক্তি দিয়া হ’ব।

০০০০০

সমাপ্ত